# ধ্ৰুৱবাদ

ধ্ৰুৱবাদ শব্দটো ইংৰাজী 'ক্লাছিচিজম্' শব্দটিৰ এটি ভাৰতীয় পৰিভাষা। ভাবৰ গাম্ভীৰ্য, আদৰ্শৰ উচ্চতা, বিষয়ৰ গভীৰতা আৰু ৰচনা-ৰীতিৰ নৈব্যক্তিক বিশিষ্টতালৈ লক্ষ্য কৰি প্ৰাচীন গ্ৰীচ আৰু ৰোমৰ সাহিত্যক এটা বিশিষ্ট শ্ৰেণী (ক্লাছ)ৰ সাহিত্য স্বৰূপে পৰৱৰ্তী কালত গ্ৰহণ কৰা হয়। প্ৰাচীন গ্ৰীক-ৰোমান সাহিত্যৰ এই বিশিষ্টতাসমূহক উচ্চ বৰ্গৰ সাহিত্য ৰচনাৰ মান স্বৰূপে গ্ৰহণ কৰাৰ ফলত এই মানসমূহে সেই বৰ্গৰ সাহিত্য-বিচাৰৰ তাত্ত্বিক ভেঁটি স্থাপন কৰি দিয়ে। সাহিত্যৰ গুণগত আৰু ৰূপগত মান নিৰূপণৰ বাবে গ্ৰহণ কৰা এই তাত্ত্বিক মতবাদেই 'ক্লাছিচিজিম্'। তেনে গুণগত মান ৰক্ষা কৰি ৰচনা কৰা সাহিত্যই 'ক্লাছিকেল' সাহিত্য। এই ইংৰাজী শব্দটোৰ ভাৰতীয় তথা অসমীয়া পৰিভাষা হ'ল 'ধ্ৰুপদী'। 'ক্লাছিচিজম্' শব্দটোৰ পৰিভাষা হ'ল ধ্ৰুৱবাদ।

ইউৰোপৰ গ্ৰীক-ৰোমীয় সাহিত্য নিজস্ব ৰীতি আৰু বৈশিষ্ট্যৰে 'ক্লাছিকেল' হোৱাৰ দৰেই প্ৰাচীন ভাৰতীয় কাব্য, মহাকাব্য, নাটক আৰু পুৰাণসমূহো আমাৰ দেশত ধ্ৰুপদী সাহিত্য স্বৰূপে চিহ্নিত হৈছে। প্ৰাচীন ভাৰতীয় সাহিত্যও ভাব, বিষয়, ৰূপ আৰু ৰসৰ ক্ষেত্ৰত গম্ভীৰ, সংযত আৰু প্ৰথাবদ্ধ। এই মানৰ পৰা ধ্ৰুপদী সাহিত্যৰ বিচ্যুতি ঘটিব নোৱাৰে। ধ্ৰুপদী শব্দটো ধ্ৰুৱবাদৰ পৰা ওলাইছে। ঘাই শব্দটো হ'ল ধ্ৰুৱ।

'ধ্ৰুৱ' এই শব্দটো ধ্ৰুৱ নক্ষত্ৰৰ পৰা লোৱা হৈছে। ধ্ৰুৱ তৰাক স্থিৰ আৰু অচঞ্চল বুলি ধৰা হয়। সাহিত্যৰ যি তত্ত্বই এনে স্থিৰ, অচঞ্চল সাহিত্যৰ পৰিচয় দান কৰে, সেয়ে ধ্ৰুৱবাদ; তেনে সাহিত্যই ধ্ৰুৱবাদী বা ধ্ৰুৱপদী, বা ধ্ৰুপদী সাহিত্য। আনকি গীতৰো যিটো স্থায়ী অংশ তাক 'ধ্ৰুপদ' বোলা হয়।

'ক্লাছিকেল' শব্দটোৰ ব্যৱহাৰ হ'বলৈ আৰম্ভ কৰে ১৬-১৭ শতিকাৰ ইউৰোপৰ নৱজাগৰণৰ সময়ৰ পৰাহে। গ্ৰীক্ আৰু ৰোমান সাহিত্যৰ শ্ৰেষ্ঠ গ্ৰন্থৰ শ্ৰেষ্ঠত্ব বুজাবলৈ আৰু আনৰ পৰা যে সেই ৰচনাসমূহ পৃথক আৰু আনতকৈ উন্নত আছিল সেই কথা বুজাবলৈ এই শব্দটোৰ প্ৰয়োগ হ'বলৈ ধৰে। ক্লাছিকেল সাহিত্য হ'ল নৈৰ্ব্যক্তিক, সামাজিক, বস্তুনিষ্ঠ, নীতিনিষ্ঠ, বুদ্ধিমত্তা-সম্পন্ন আৰু স্থিৰ। ক্লাছিকেল সাহিত্যত আৱেগ প্ৰকাশিত

Scanned with CamScanner

হয় নিয়ন্ত্ৰিত চিৰায়ত মানৱীয় আৱেগৰ ৰূপত। ইয়াত ব্যক্তিনিষ্ঠতাৰ স্থান নাই। আন এটি বৈশিষ্ট্য হ'ল ক্লাছিকেল সাহিত্যত বিষয়ৰ নিখুঁত বৰ্ণনাৰ সূক্ষ্ম বিস্তাৰ। প্ৰাচীন গ্ৰীক আৰু ৰোমান সাহিত্যৰ এনে বিশেষত্বসমূহৰ অনুসৰণ কৰি ৰচনা কৰা সাহিত্যক ক্লাছিকেল সাহিত্যৰ ভিতৰুৱা বুলি গণ্য কৰা হয়। উদাহৰণ স্বৰূপে ৰোমান নাট্যকাৰ 'চেনেকা'ই প্ৰাচীন গ্ৰীক ট্ৰেজেডিৰ আৰ্হিত ৰচনা কৰা ট্ৰেজেডিসমূহকো ক্লাছিকেল সাহিত্য বুলি ধৰা হয়। আকৌ ১৭-১৮ শতিকাত ইউৰোপৰ বিভিন্ন ভাষাত ক্লাছিকেল সাহিত্যতত্ত্বৰ নিৰ্দেশিত বাটেৰে সাহিত্য ৰচনাৰ প্ৰয়াস কৰা দেখা গ'ল। ফ্ৰান্সৰ মলিয়েৰ, ভলটেয়াৰ, বইলিউ আদি লেখকৰ নাম এই ক্ষেত্ৰত ল'ব পাৰি।

ইংৰাজী সাহিত্যত, ড° জনছন, ড্ৰাইডেন, পোপ, ছুইফ্‌ট, এডিছন, বেন জনছন আদি লেখকসকলে 'ক্লাছিকেল' সাহিত্যৰ আদৰ্শ চকুৰ আগত ৰাখি ৰচনা কৰা সাহিত্যক 'নিঅ' ক্লাছিকেল' (নব্য ধ্ৰুপদী) সাহিত্যৰ শাৰীত ধৰা হয়। ভাব, বিষয়, ৰূপ, ৰীতি আৰু লক্ষ্যত এই ধাৰাই ক্লাছিকেল সাহিত্যকে নতুন যুগৰ উপযোগী আদৰ্শৰে অনুসৰণ কৰিবলৈ যত্ন কৰিছিল।

'ক্লাছিকেল' শব্দটো কেৱল সাহিত্যৰ ক্ষেত্ৰতে যে ব্যৱহৃত হৈ আহিছে এনে নহয়, অন্যান্য শিল্পৰ ক্ষেত্ৰটো ব্যৱহৃত হৈ আহিছে। কোনো শিল্পৰ কাৰিকৰী দক্ষতাৰ মূল্য নিৰ্ণয় কৰা হৈছিল শিল্পীৰ নিখুঁত, সূক্ষ্ম, বিস্তাৰিত কৰ্ম-দক্ষতাৰ ওপৰত। এনে ৰূপ দানৰ বাবে শিল্পীৰ নিয়ন্ত্ৰণ-দক্ষতাকো 'ক্লাছিকেল' বুলি কোৱা হৈছিল। আনকি ভাস্কৰ্য, স্থাপত্যৰ মাজত ফুটি উঠা সূক্ষ্ম, নিখুঁত নিয়ন্ত্ৰিত কৰ্মকো 'ক্লাছিকেল' বুলি কোৱা হয়। এতেকে নিৰ্দিষ্ট আদৰ্শ আৰু লক্ষ্যৰে, নিৰ্দিষ্ট ৰচনা-ৰীতিৰে, নিয়ন্ত্ৰিত ৰূপত, সাৰ্বজনীন আৰু চিৰায়ত, স্থিৰ, মানৱীয় ভাবনাৰ ৰূপায়ণক 'ক্লাছিকেল' বুলি কোৱা হয়। নিজৰ মহিমা আৰু বৈশিষ্ট্যৰে এনে কৰ্ম, বিশিষ্ট, উন্নত ভাবাদৰ্শৰ আৰু উন্নত ৰূপৰ কৰ্ম স্বৰূপে চিহ্নিত হৈ আহিছে।

অসমীয়া তথা ভাৰতীয় অন্য অন্য ভাষাতো ব্যৱহৃত ধ্ৰুপদী শব্দটোৰে 'ক্লাছিকেল' শব্দৰ অৰ্থ-গৌৰৱকে প্ৰকাশ কৰা হৈছে। ভাৰতবৰ্ষত এই শব্দৰ ব্যৱহাৰ ঊনবিংশ শতিকাৰ পৰাহে হৈছে। প্ৰাচীন ভাৰতীয় কাব্য, মহাকাব্য, নাটক আৰু পুৰাণ ৰচনাৰ বাবে নিৰ্দিষ্ট নীতি-নিয়ম কঠোৰভাৱেই মানি চলা হৈছিল। কাব্যত কি কি উপাদান থাকিব, মহাকাব্যৰ প্ৰকৃতি, গঠন আৰু লক্ষ্য কি হ'ব, নাটকৰ কাহিনী, চৰিত্ৰ, কাৰ্যাৱলী, সংলাপ কেনে হ'ব, এই আটাইবোৰ বিষয়ে ভাৰতীয় অলংকাৰ শাস্ত্ৰই নীতি-নিৰ্দেশনা কৰি গৈছে। এনে নীতি-নিৰ্দেশনা আওকাণ কৰি ৰচনা কৰা কোনো কৰ্মকে গ্ৰহণীয় বুলি ভবা নহৈছিল। অৰ্থাৎ ভাব, লক্ষ্য, উদ্দেশ্য, বিষয়, ৰচনা-ৰীতি সকলো ক্ষেত্ৰতে স্থিৰ নীতিৰ দ্বাৰা নিয়ন্ত্ৰিত হৈয়েই সাহিত্য বা শিল্প ৰচনা কৰিব লাগিছিল। শিল্পী বা লেখকৰ ব্যক্তিগত ইচ্ছা-অনিচ্ছাৰ

Scanned with CamScanner

দ্বাৰা তেওঁৰ ৰচনা নিয়ন্ত্ৰিত হ'ব নোৱাৰিছিল। অৰ্থাৎ ব্যক্তি-মানুহ নহয়, সমষ্টি-মানুহক চকুৰ আগত ৰাখি, মানুহৰ মংগল সাধনৰ বাবে আৰু মানুহক আনন্দ দানৰ বাবে শিল্প-সাহিত্য ৰচনা কৰাটোৱেই হ'ল ধ্ৰুপদী শিল্পী-সাহিত্যিকৰ দায়িত্ব আৰু কৰ্তব্য। এতেকে ধ্ৰুপদী সাহিত্যৰ শিল্পী-সাহিত্যিকৰ ৰচক এনে আদৰ্শ আৰু লক্ষ্যৰ ওচৰত দায়বদ্ধ। প্ৰকাৰান্তৰে ক'বলৈ গ'লে তেওঁ সমষ্টি-মানুহৰ ওচৰত দায়বদ্ধ।

প্ৰসিদ্ধ আধুনিক কবি আৰু কাব্য-সমালোচক টি. এছ. এলিয়টৰ মতে, "যেতিয়া জাতীয় সভ্যতাই বিকাশৰ নিজস্ব ধাৰাৰ শীৰ্ষ বিন্দু লাভ কৰে, জাতীয় মানসিকতাই যেতিয়া পৰিণত অৱস্থা লাভ কৰে, জাতীয় ভাষা পৰিপুষ্টি সাধনেৰে সমৃদ্ধ হয় আৰু ৰচনা-ৰীতিৰ ধাৰা যেতিয়া সুনিৰ্দিষ্ট হৈ উঠে, ধ্ৰুপদী সাহিত্য-ৰচনাৰ পৰিৱেশ তেতিয়াহে ৰচিত হয়।" স্থিৰ, অচঞ্চল আৰু সমগ্ৰতাক সামৰি ল'ব পৰা জীৱন-দৃষ্টি অবিহনে ধ্ৰুপদী সাহিত্য ৰচিত হ'ব নোৱাৰে।

ধ্ৰুপদী সাহিত্য, সাহিত্য-তত্ত্বৰ নিৰ্দিষ্ট নিয়মৰ দ্বাৰা, বা ক'ব পাৰি সাহিত্য-তত্ত্বৰ নিৰ্দিষ্ট শাস্ত্ৰৰ দ্বাৰা নিয়ন্ত্ৰিত। সাহিত্যৰ ওপৰত থকা এনে নিয়ন্ত্ৰণ বা অনুশাসনৰ লগত উল্লিখিত অনুকূল সামাজিক-সাংস্কৃতিক পটভূমিৰ সম্পৰ্ক অবিচ্ছেদ্য। মানুহৰ সভ্যতা আৰু সংস্কৃতিৰ দ্ৰুত পৰিৱৰ্তিত পটভূমিত প্ৰাচীন গ্ৰীক-ৰোমীয় বা ভাৰতীয় সাহিত্যৰ সদৃশ এটা আন্দোলন আশা কৰিব নোৱাৰি।

সি যি হওক, 'ধ্ৰুৱবাদ' হ'ল ধ্ৰুপদী সাহিত্যৰ লক্ষণাক্ৰান্ত সাহিত্য-ধাৰা। কিন্তু, 'ধ্ৰুপদী' শব্দটো নিজৰ গুণেৰে মহৎ সাহিত্যৰ ক্ষেত্ৰতো বহু সময়ত প্ৰয়োগ কৰা হয়। ইংৰাজীত অৱশ্যে তেনে সাহিত্যক 'ক্লাছিকেল' বোলা নহয়; বৰং 'ক্লাছিক' বোলা হয়। শ্বেক্সপীয়েৰৰ বা ৱৰ্ডছৱৰ্থৰ, এলিয়টৰ বা ৰবীন্দ্ৰনাথৰ ৰচনাৱলী 'ক্লাছিকেল' নহয় 'ক্লাছিক', অৰ্থাৎ 'ধ্ৰুপদী' নহয়; কিন্তু 'মহৎ'। এই মহত্ত্ব বুজাবলৈও শিথিলভাৱে বহু সময়ত 'ধ্ৰুপদী' শব্দটো ব্যৱহাৰ কৰা দেখা যায়। তেনে নকৰাই উচিত। এতেকে, ধ্ৰুৱবাদ, ধ্ৰুৱবাদী বা ধ্ৰুপদী সাহিত্য আৰু মহৎ সাহিত্য এই তিনিওটি শব্দ প্ৰয়োগ কৰোঁতে সতৰ্ক হোৱা উচিত। মনত ৰাখিব লাগিব ধ্ৰুপদী সাহিত্যসমূহ মহৎ সাহিত্যও; কিন্তু সকলো মহৎ সাহিত্যই ধ্ৰুপদী সাহিত্য নহয়।

প্ৰশ্ন হ'ব পাৰে, মহৎ সাহিত্যৰ সংজ্ঞা কি? চমুকৈ ক'বলৈ হ'লে যি সাহিত্যই স্থান, কাল, পাত্ৰৰ অজস্ৰ পৃথকতা থকা সত্ত্বেও যি কোনো কালৰ, যি কোনো দেশৰ, যি কোনো ভাষাৰ, যি কোনো সম্প্ৰদায়ৰ, যি কোনো বিশ্বাস বা মতবাদৰ মানুহৰ অন্তৰত সদৃশ মানৱীয় ভাব, অনুভৱ আৰু কল্পনাৰ জাগৰণ ঘটাব পাৰে, বা এক কথাত ক'বলৈ হ'লে সকলো সীমাৰ উৰ্ধত মানৱীয় চেতনাৰ জাগৰণ ঘটাব পাৰে, সেয়ে মহৎ সাহিত্য; সেয়ে বিশ্ব সাহিত্যও। পৃথিৱীৰ সকু ভাষা এটিত ৰচিত সাহিত্যয়ো তেনে মহত্ত্ব লাভ কৰি বিশ্ব-সাহিত্য হ'ব পাৰে। □

Scanned with CamScanner

সাৰাংশতে ঃ

১. 'ক্লাছিকেল' শব্দটো সাহিত্যৰ ক্ষেত্ৰত ব্যৱহাৰ কৰোঁতে গ্ৰীক-ৰোমীয় উচ্চমান বিশিষ্ট সাহিত্যৰ লক্ষণাক্ৰান্ত সাহিত্যক বুজোৱা হয়।
২. ক্লাছিকেল শব্দৰ ভাৰতীয় পৰিভাষা হ'ল ধ্ৰুৱবাদী বা ধ্ৰুপদী।
৩. 'ক্লাছ' শব্দটোৱে নিৰ্দিষ্ট গুণ-বিশিষ্ট শ্ৰেণীক বুজায়; 'ধ্ৰুৱ' শব্দটোৱে স্থিৰ আৰু অচঞ্চল চৰিত্ৰৰ ইংগিত দিয়ে।
৪. এনে সাহিত্য নৈৰ্ব্যক্তিক, সামাজিক, বস্তুনিষ্ঠ, নীতিনিষ্ঠ, বুদ্ধিমত্তা-সম্পন্ন আৰু স্থিৰ। এনে সাহিত্যৰ নিৰ্দিষ্ট উচ্চ আদৰ্শ আৰু লক্ষ্য থাকে, নিৰ্দিষ্ট ৰচনা-ৰীতি থাকে; এনে সাহিত্যত আৱেগো নিয়ন্ত্ৰিত আৰু চিৰায়ত ৰূপত প্ৰকাশিত হয়।
৫. ধ্ৰুপদী সাহিত্য ভাব, বিষয়, ৰূপ আৰু ৰীতিৰ ক্ষেত্ৰত গম্ভীৰ, সংযত আৰু প্ৰথাবদ্ধ।
৬. সাহিত্যৰ উপৰিও ধ্ৰুৱবাদৰ লক্ষণাক্ৰান্ত অন্যান্য শিল্প-দৰ্শনকো ধ্ৰুপদী আখ্যা দিয়া হয়।
৭. 'ক্লাছিক' শব্দটোৰ পৰিভাষা স্বৰূপে 'ধ্ৰুপদী' শব্দৰ ঠাইত 'মহৎ' শব্দটোহে প্ৰযোজ্য।
৮. যি সাহিত্যই স্থান-কাল-পাত্ৰৰ সকলো সীমা ভাঙি মানুহৰ মনত চিৰায়ত মানবীয় চেতনাৰ জাগৰণ ঘটাব পাৰে, সেয়ে মহৎ সাহিত্য।
৯. সকলো ধ্ৰুপদী সাহিত্য মহৎ সাহিত্য স্বৰূপে বিবেচিত হ'ব পাৰে; কিন্তু সকলো মহৎ সাহিত্যই ধ্ৰুপদী সাহিত্য হিচাপে চিহ্নিত নহয়।
১০. মহৎ সাহিত্যক 'বিশ্ব-সাহিত্য' আখ্যাও দিব পাৰি।

Scanned with CamScanner